# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ০৬ আগষ্ট তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে তোমাৰ ওপৰত মোৰ ভাল আশা আছে এই কাৰণে অতিথিসকলক ভালদৰে সেৱা কৰা। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে সেই ভাল ধাৰণা যি আজিও প্ৰতিষ্ঠিত আছে। জলছা ছালানাৰ উদ্ধৃতিত অতিথি আলপৈচান আৰু অতিথি সকলৰ দায়িত্বৰ বিষয়ে বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজিৰ পৰা ইনশা আল্লাহ বৃটেইনৰ বাৎসৰিক জলছাৰ শুভাৰম্ভ কৰা হ'ব। সেয়ে মই সৰ্ব প্ৰথমে ক'ব বিচাৰিছোঁ যে জলছাৰ এই বৰকতময় অনুষ্ঠানৰ বাবে বেছি বেছি দোৱা কৰিব আৰু জলছাত অংশ গ্ৰহণ কৰোঁতা সকলে যেন নেকি আৰু তাকওৱাৰ ক্ষেত্ৰত অধিক আগবাঢ়ি যায়। পৃথিৱী ব্যাপি চলা মহামাৰীৰ কাৰণে জলছাত অংশ গ্ৰহণ কৰা লোকৰ সংখ্যা সীমিত। কিন্তু মই শুনিছো যে ঘৰতে বহি আৰু জমাতি ব্যৱস্থাপনাৰ জড়িয়তে লোকক জলছাৰ প্ৰোগ্ৰাম বিলাক শুনোৱা হ'ব। যিয়েই নহওঁক যেনেকৈ যিয়ে জলছাত অংশ গ্ৰহণ কৰি আছে, তেওঁলোকে যেন এয়া মনত লৈ জলছাৰ প্ৰোগ্ৰাম বিলাক শুনে যে যেনিবা তেওঁলোকে জলছাৰ সভাস্থলীত বহি প্ৰোগ্ৰাম বিলাক শুনি আছে আৰু এই সময়ছোৱাত যেন দোৱাৰ মাজেৰে কটায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বছৰ জলছাৰ পৰিচালক সকলৰ বাবেও আৰু জলছাত অংশ গ্ৰহণ কৰোঁতা সকলৰ বাবেও পৰিস্থিতি ভিন্নতৰ। কিছুমান সা-সুবিধাৰ যোগান ধৰিব পৰা নাযাব গতিকে অংশ গ্ৰহণকাৰী সকলে পৰিস্থিতি সাপেক্ষে চলিব লাগিব। এই অসুবিধাৰ ফালে লক্ষ্য কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱাৰ ফালে বিশেষ ভাৱে মনোযোগ দিবলৈ আহ্বান জনাইছে। জলছা আৰু অতিথি আলপৈচান সম্পৰ্কে হুজুৰ (আইঃ)য়ে কৈছে যে সাধাৰণতে জলছাৰ এদিন আগতেই অতিথি আৰু ডিউটি কৰোঁতা সকলক তেওঁলোকৰ পালনীয় দায়িত্ব সম্পৰ্কে মনত পেলাই দিয়া হয় কিন্তু এই বছৰ সেয়া হৈ উঠা নাই গতিকে আজিয়েই মই এই সম্পৰ্কে অলপ আলোচনা কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে অতিথি আলপৈচানৰ ক্ষেত্ৰত যেন কোনো ধৰণৰ অভিযোগ আপত্তিৰ উদ্ভৱ নহয় আৰু ব্যৱস্থাপনাৰ ফালৰ পৰা যেন যথাসম্ভৱ চেষ্টা কৰা হয় যে কোনো ধৰণৰ অভিযোগ যাতে সৃষ্টি

হ'ব নোৱাৰে।

হুজুৰ (আইঃ)য়ে কয় যে প্ৰত্যেক বিভাগৰ কৰ্ম কৰ্ত্তা সকল নিজৰ কৰ্তব্য আৰু কামত পাৰ্গত হৈ পৰিছে আৰু ডাঙৰ ডাঙৰ কামও চম্ভালি লোৱাৰ দক্ষতা আছে আৰু নতুনকৈ যোগদান কৰা সকলক শিকাবও পাৰে। গতিকে এই বিষয়ে চিন্তাৰ একো নাই যে কাম হ'ব নে নহয়। কিন্তু যিহেতু আল্লাহ তা'লাৰ আদেশ হ'ল যে মোমিন সকলক মনত পেলাই দি থকা উচিত যে এয়া হ'ল তাৰ পালনীয় দায়িত্ব আৰু তেওঁলোকৰ বাবে এয়াই লাভজনক আৰু যেনেকৈ মই কৈছো যে এইবাৰ জলছাৰ সকলো যা যোগাৰ কম পৰিমাণৰ কৰা হৈছে সেয়ে কিছুমান ক্ষেত্ৰত অসাৱধানতাৰ ফলত নাটনিয়ে দেখা দিব পাৰে। কিছুমান বিভাগে বতৰ ভাল বেয়া হোৱাৰ ফালে লক্ষ্য ৰাখিব লাগিব। অতিথি কম হওঁক বা বেছি হওঁক, জলছালৈ অহা অতিথি হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি, তেওঁলোকৰ আমি আলপৈচান ধৰিব লাগিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে অতিথি আলপৈচান এনেকুৱা এটা চৰিত্ৰ যি আম্বিয়া সকলৰ এটা বিশেষ বৈশিষ্ট হৈ থাকে। গতিকে আমাৰ এই জমাত দ্বীনি জমাত হোৱা হেতুকে আমাৰ কৰ্তব্য হ'ল যে আমাৰ মাজতও যেন এই বৈশিষ্ট বিদ্যমান থাকে। আঁহজৰত (ছাঃ)ৰ সময়তও যেতিয়া অতিথি সৰহকৈ আহিবলৈ লৈছিল তেতিয়া তেখেত (ছাঃ)য়ে চাহাবা সকলৰ মাজত অতিথি সকলক ভগাই দিছিল আৰু চাহাবা সকলেও আনন্দ মনেৰে সেই অতিথি সকলক নিজৰ ঘৰত লৈ গৈছিল। পিছ দিনাখন পুৱাতে যেতিয়া সেই অতিথি সকলক কৰা সেৱা যত্ন সম্পৰ্কে সুধা হৈছিল তেতিয়া প্ৰত্যেকেই এয়া উত্তৰ দিছিল যে আমি এনেকুৱা অতিথি পৰায়ণ লোক আগতে দেখা নাই যে যিয়ে এনেদৰে অতিথি সৎকাৰৰ দায়িত্ব পালন কৰে। গতিকে যিয়েই নহওঁক এনে আদৰ্শ আমাৰ সন্মুখত আছে আৰু এই যুগত যিহেতু আমি হজৰত মছীহ মাওউদ (আঃ)ক মানি লৈছো আৰু তেখেত (আঃ)য়েও আমাক এই আদৰ্শ অনুযায়ী শিক্ষা দিছে,সেয়ে আমি এই আদৰ্শ পালনৰ চেষ্টা কৰিব লাগিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ এটা বিবৃত্তি সম্পৰ্কে কৈছে যে যদি অতিথি সকলৰ কোনোবায় কঠোৰ আচৰণ প্ৰদৰ্শন কৰে তথাপি অসন্তুষ্ট নহ'বা। যদি সেই অতিথি আহমদীও হয় তথাপি কঠোৰতাৰ উত্তৰ কঠোৰ ভাষাৰে নিদিবা। নিজৰেই হওঁক বা পৰ হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি পৰায়নতাৰ অসাধাৰণ দৃষ্টান্তৰ উল্লেখ আছে আৰু হয়তো এনেকুৱা হ'বলৈ আছিল যে সেই যুগত হজৰত মছীহ মাওউদ (আঃ)য়ে উচ্চ চৰিত্ৰ স্থাপন কৰে আৰু যাৰ দ্বাৰা ইছলামৰ মনোৰম সৌন্দৰ্য আমাৰ আগত উদ্ভাসিত হয় আৰু আমি সেয়া জগতবাসীৰ আগত দাঙি ধৰিব পাৰো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মুফতি মহম্মদ ছাদিক চাহাব (ৰাঃ)ৰ সৈতে কৰা হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি আলপৈচানৰ এটা ঘটনা বৰ্ণনা কৰে য'ত উল্লেখ আছে যে হজৰত মছীহ মাওউদ (আঃ)য়ে নিজে এখন Trayত ছাদিক চাহাব (ৰাঃ)ৰ বাবে খোৱা বস্তু (আহাৰ) লৈ আনিছিল; সেয়া দেখি হজৰত মুফতি চাহাবে চকুলো টুকিছিল যে হজৰত মছীহ মাওউদ (আঃ)আমাৰ পথ-প্ৰদৰ্শক আৰু নেতা হৈও মোৰ ইমান খিদমত কৰিছে তেন্তে আমি আহমদী সকলে পৰস্পৰে কিমান প্ৰেম ভালপোৱা ৰখা উচিত।

এবাৰ অতিথিৰ আগমনত বিছনা পত্ৰ কম পৰি গৈছিল তেতিয়া হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ ঘৰৰ বিছনা পত্ৰ অতিথি সকলৰ বাবে দি দিছিল কিন্তু সেয়া কোনেও গম পোৱা নাছিল যে এয়া হজৰত আকদছ (আঃ)ৰ ঘৰৰ বিছনা মাজে সময়ে কিছুমান লোকে কোৰবাণী কৰে কিন্তু তাৰ বাবে সি আকৌ অহংকাৰও দেখুৱায়। এঠাইত হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে- মোৰ সদায় এয়া মনত থাকে যে কোনো অতিথিৰ যেন কোনো

ধৰণৰ কষ্ট নহয়। লগতে আৰু কৈছে যে অতিথিৰ হৃদয় এখন আৰ্চিৰ দৰে; সামান্য খুন্দা খালেই ভাঙি চুৰমাৰ হৈ যায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে প্ৰথমে প্ৰথমে হজৰত মছীহ মাওউদ (আঃ)য়ে অতিথি সকলৰ লগত বহি খোৱা লোৱা কৰিছিল। কিন্তু পিছত অতিথিৰ সংখ্যা বাঢ়ি যোৱাত অতিথিৰ লগত বহি খাবলৈ এৰিব লগা হৈছিল। গতিকে এবাৰ লঙ্গৰ খানাৰ (অতিথি শালাৰ) ইনচাৰ্জ চাহাবক হুজুৰ (আঃ)য়ে উপদেশ দিছিল যে সকলো অতিথিক সন্মানেৰে সৈতে যৎপৰনাস্তি সেৱা কৰিবা। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে সকলো লোককেই অতিথি বুলি ভাৰি সমান সমান খিদমত কৰা উচিত।সকলোকেই সন্মানেৰে সৈতে যথোচিত আদৰ আপ্যায়ন কৰা উচিত। হজৰত মছীহ মাওউদ (আঃ)য়ে আৰু কৈছে যে তোমালোকৰ ওপৰত মোৰ ভাল ধাৰণা আছে, আশা আছে যে তোমালোকে উত্তম অতিথি পৰায়ণ হ'বা। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়াই হ'ল সেই আশা যি আজিও প্ৰতিষ্ঠিত আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় মই জানো যে কিছুমান বিভাগৰ কৰ্ম-কৰ্ত্তা সকলে কিছুমান সমস্যাৰ সন্মুখীন হ'ব লাগিব। তথাপি সকলো পৰিস্থিতিৰ মাজেদি অতিথি সকলৰ লগত আনন্দ মনেৰে সদ আচৰণ কৰিব লাগিব আৰু নিজৰ ওপৰত এয়া ফৰজ কৰি ল'ব লাগিব যে নিজে অতিথি সকলৰ  আগত উত্তম চৰিত্ৰ প্ৰদৰ্শন কৰিব লাগিব। এইবাৰ জলছাত যোগদান কৰোঁতাৰ সংখ্যা কম, তথাপি কিছুমান কৰ্মী সকলে অতিথি সকলক কিবা বিষয়ে মনত পেলাই দিয়াৰ সময়ত হয়তো সেই অতিথি জনে বেয়া পাব পাৰে। কিন্তু যদি কোনো অতিথিয়ে সেই কথাবোৰ নুশুনে তেন্তে তেওঁক অতি আদৰ চেনেহেৰে বুজাব লাগিব। বেছি ভাগ অতিথিয়ে জানে যে এইবোৰ নিয়ম মানি চলিব লাগিব। কিন্তু যদি কৰ্মী সকলৰ আচাৰ-আচৰণ সঠিক নহয় তেন্তে আৰু বেছি সমস্যাৰ সৃষ্টি হ'ব পাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁ-হজৰত (ছাঃ)য়ে এজন মোমিনৰ বৈশিষ্ট এয়া হ'ব লাগিব বুলি কৈছে যে সি অতিথিক সন্মান,আদৰ আপ্যায়ন কৰিব লাগিব। এই মোমিনিয়া গুণ প্ৰত্যেকৰ মাজত জন্ম লোৱা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে অতিথি সকলে এই কথাখিনি মনত ৰাখিব লাগিব যে ইছলামে যেনেকৈ আলপৈচানকাৰীক নচিহত কৰিছে তেনেকৈ অতিথি সকলকও কিছুমান উপদেশ প্ৰদান কৰিছে যে যাৰ দায়িত্ব পাহৰি নাযাব। আলপৈচান ধৰোঁতা সকলৰ অসুবিধাৰ ফালে অতিথি সকলে দৃষ্টি দিব লাগিব। আলপৈচানকাৰী সকলক কোৱা হৈছে যে অতিথি সকলৰ লগত সদ আচৰণ কৰিবা তেনেকৈ অতিথি সকলক কোৱা হৈছে যে যদি আলপৈচানকাৰী সকলে অতিথিক কৰবালৈ আহিব নিদিয়ে তেন্তে তেওঁলোকে যেন নাহে। আল্লাহ তা'লা কোৰ-আন কৰিমত কৈছে- আৰু যদি তোমালোকক কোৱা হয় যে তোমালোকে ওভতি যোৱা তেন্তে ওভতি যাব লাগিব; এয়াই তোমালোকৰ বাবে বেছি পৱিত্ৰতাৰ কাৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে জলছাত যোগদান কৰাৰ এটা অন্যতম উদ্দেশ্য হ'ল নিজকে নিজে পাক কৰি লোৱা। গতিকে কিছুমান লোকে যি সকলে মৌলৈ লিখিছে, তেওঁলোকে নিজামে জমাতৰ নিয়ম মানি চলা উচিত। লগতে বেয়া পোৱাটো উচিত নহয় আৰু অভিযোগ কৰাও ঠিক নহয়। বৰং এনেকুৱা পৰিস্থিতিৰ বাবে দোৱা কৰক আৰু কাতৰ মিনতিৰে দোৱা এনে পৰিস্থিতেহে হ'বলৈ পায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে কোৰ-আন কৰিমৰ হিদায়তৰ ওপৰত আমল কৰা সম্পৰ্কে চাহাবা সকলৰ এয়া আচৰিত পদ্ধতি আছিল। এজন চাহাবীৰ বিষয়ে উল্লেখ কৰি হুজুৰ (আইঃ)য়ে কয় যে এজন চাহাবী

আন এজন চাহাবীৰ ঘৰত যোৱা কৰিছিল আৰু কয় যে মই এই কোৰ-আনী আদেশ পালনাৰ্থে বাৰে বাৰে সেই চাহাবী জনৰ ঘৰলৈ গৈছিলো যাতে আলপৈচানকাৰীয়ে মোক ঘৰত প্ৰৱেশ কৰিবলৈ নিষেধ কৰে আৰু মই এই কোৰ-আনী আদেশটো পালন কৰো যে তাৰ ঘৰত প্ৰৱেশ নকৰি ঘূৰি আহো। কিন্তু অতিথি পৰায়ন চাহাবী জনেও কোৰ-আন কৰিমৰ আদেশৰ ওপৰত আমল কৰি এই চাহাবা জনক ঘৰত প্ৰৱেশ কৰিবলৈ দি থাকিছিল। দুয়োজনেই আল্লাহ্ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে কোৰ-আন কৰিমৰ আদেশ পালনৰ চেষ্টা কৰিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰ-আন কৰিমৰ শিক্ষাৰ ওপৰত আমল কৰিবলৈ মনোযোগ আকৰ্ষণ কৰি নিজে তাৰ ওপৰত আমল কৰি দেখুৱাইছিল। গতিকে বিনা অভিযোগত যিজনে চামিল হ'ব নোৱাৰে, তেওঁ চামিল নহ'বলৈ চেষ্টা কৰক। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যাক নিমন্ত্ৰণ কৰা হৈছে আৰু অনুমতি পাইছে, তেওঁ অৱশ্যই জলছাত যোগদান কৰক,নহলে তেওঁলোকৰ অধিকাৰ খৰ্ব কৰা হ'ব যিসকলে অনুমতি পোৱা নাই। বতৰ বেয়া হোৱাৰ আপত্তি উত্থাপন নকৰিব।

ৰাবোৱা আৰু কাদিয়ানৰ জলছা সম্পৰ্কে হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে তাত মুকলি আকাশৰ তলত বৰষুণৰ মাজতও জলছা হৈ থাকে। প্ৰথম প্ৰথম অৱস্থাত ইছলামাবাদ (বৃটেইনত)ও জলছাৰ ময়দানত পানী সোমাই আহিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে এটা উদাহৰণৰ উল্লেখ কৰি কৈছিল যে ইছলামাবাদৰ প্ৰথম জলছাত ছিজদাহ কৰাৰ সময়ত কপাল আৰু আঠুত বোকা লাগি গৈছিল। কিন্তু এটা ব্যাকুলতা ভৰা হৃদয়েৰে লোকে জলছাত অংশ গ্ৰহণ কৰিছিল। ইয়াৰ পিছত হুজুৰ (আইঃ)য়ে আকৌ কয় যে যিসকলে জলছালৈ অহাৰ অনুমতি পাইছে, সেই সকলে নিশ্চয় আহিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কিছুমান ব্যৱস্থাপনাৰ বিষয় সমূহৰ ফালে আঙুলিয়াই দিয়ে যে সামাজিক দূৰত্ব বজায় ৰাখিব, আহাৰ আদি লোৱাৰ সময়ত মাস্ক পিন্ধি ল'ব, ডিউটি কৰোঁতা সকলে মাক্স পিন্ধিব।যদি ব্যৱস্থাপক সকলৰ ফালৰ পৰা ধ্বনি দিয়ে তেন্তে মাস্ক পিন্ধিয়ে তাৰ উত্তৰ দিব। নাক আৰু মূখ ভালদৰে ঢাকি ৰাখিব। নিৰাপদ বুলি ভাৱি এইবোৰত এলাহ নকৰিব। সকলোৱে সাৱধান হোৱা উচিত। ইয়াৰ ওপৰি আৰু কয় যে যিসকলে বহুদিন পিছত আহি লগ হৈছে। তেওঁলোকৰ সৈতে দীঘলীয়া মিল-মিলাপে জলছাৰ প্ৰোগ্ৰাম শুনা আৰু দোৱা কৰাৰ পৰা তেওঁলোকক যেন বঞ্চিত নকৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰা এটা মন্তব্য বৰ্ণনা কৰে যে আল্লাহ তা'লা জলছাৰ দিনবোৰত জিকৰে ইলাহিত মচগুল থকাৰ এটা লাভ এয়া বুলি উল্লেখ কৰিছে যে আল্লাহৰ জিকিৰ কৰিলে আল্লাহ্ তা'লা তাৰ ভৃত্যৰ জিকিৰ কৰি থাকে আৰু ইয়াতকৈ সৌভাগ্যবান কোন হ'ব পাৰে, যাৰ জিকিৰ আল্লাহ তা'লা কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে সকলো আহমদী যিসকলে নিজৰ দেশত বা নিজৰ ঘৰত বহি জলছা শুনি আছে, তেওঁলোকেও জিকৰে ইলাহিত মচগুল থাকক। জলছাৰ পৰিৱেশত পূৰ্ণদমে কল্যাণ আহৰণ কৰক। জলছাৰ কাৰ্য্যক্ৰমনিকা একাগ্ৰতা আৰু মনোযোগেৰে শুনা উচিত। আল্লাহ্ তা'লা আমাক নিজৰ হৃদয়ত একাগ্ৰতা সৃষ্টি কৰাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ، عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 6 AUG 2021**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**